**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-07-2026
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ৰাজস্থানৰ যোধপুৰৰ পৰা সংশোধিত উড়ান আঁচনি মুকলি কৰে।

২। গৃহ মন্ত্ৰালয়ে বে-আইনী কাৰ্য্যকলাপ প্ৰতিৰোধী আইনৰ অধীনত ২৩ জন লোকক সন্ত্ৰাসবাদী হিচাপে ঘোষণা কৰিছে।

৩। উপ-ৰাষ্ট্ৰপতি চি-পি ৰাধাকৃষ্ণণে আজি ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধন প্ৰক্ৰিয়াৰ অধীনত গণনা প্ৰ-পত্ৰ দাখিল কৰে।

৪। চৰকাৰে মূল্য সুস্থিৰতা মজুত ভঁৰালৰ বাবে ক্ৰয় কৰা পিঁয়াজৰ মূল্য ১৩ শতাংশ বৃদ্ধি কৰিছে।

আৰু

৫। কলম্বিয়া, আৰ্জেণ্টিনা আৰু ইজিপ্ত বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ৰাজস্থানত যোধপুৰ বিমানবন্দৰৰ নতুন টাৰ্মিনেল ভৱন উদ্বোধন কৰে। এই নতুন টাৰ্মিনেল ভৱনটো ৪৮০ কোটি টকা ব্যয়ৰে বছৰি ২০ লাখ যাত্ৰী অহা-যোৱা কৰিব পৰাকৈ নিৰ্মাণ কৰা হৈছে। যাত্ৰীসকলক অসুবিধাৰহিত আৰু আৰামদায়ক যাত্ৰাৰ অভিজ্ঞতা প্ৰদানৰ উদ্দেশ্যে ভৱনটো অত্যাধুনিক সা-সুবিধাৰে সু-সজ্জিত কৰি তোলা হৈছে। ভৱনটো উদ্বোধনৰ ফলত অঞ্চলটোত পৰ্য্যটন, বাণিজ্য আৰু কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে।

প্ৰধানমন্ত্ৰীয়ে যোধপুৰৰ পৰাই সংশোধিত উড়ান আঁচনিৰো শুভাৰম্ভ কৰে। দেশৰ অ-সামৰিক বিমান পৰিবহন খণ্ডৰ এই গুৰুত্বপূৰ্ণ পদক্ষেপে উৰে দেশ কা আম নাগৰিক দৃষ্টিভংগী আগুৱাই নিয়াত সহায় কৰিব। আঁচনিখনৰ অধীনত ২৮ হাজাৰ ৮৪০ কোটি টকা আৱণ্টনেৰে দহ বছৰত বিমান পৰিবহন খণ্ড আধাৰিত বিকাশক নতুন গতি প্ৰদানৰ লক্ষ্য নিৰ্ধাৰন কৰা হৈছে।

০০০০

গৃহ মন্ত্ৰালয়ে বে-আইনী কাৰ্য্যকলাপ প্ৰতিৰোধী আইনৰ অধীনত ২৩ জন লোকক সন্ত্ৰাসবাদী হিচাপে ঘোষণা কৰিছে। এই লোককেইজনৰ ভিতৰত ১৭ জন পাকিস্তানী আৰু ৬ জন ভাৰতীয় নাগৰিক আছে। অৱশ্যে জৈইছ্ এম মহম্মদ, লস্কৰ-এ-তৈয়ৱা আৰু অন্য সন্ত্ৰাসবাদী সংগঠনৰ জড়িত এই লোককেইজনে বৰ্তমান পাকিস্তান আৰু পাকিস্তান অধিকৃত কাশ্মীৰৰ পৰা কাম-কাজ চলায় আছে। সন্ত্ৰাসবাদী হিচাপে ঘোষিত এই লোককেইজন সন্ত্ৰাসবাদী আক্ৰমণ সংঘটিত কৰা, অস্ত্ৰ সৰবৰাহ, সীমান্তৰে অনুপ্ৰৱেশ, সন্ত্ৰাসবাদী সংগঠনৰ বাবে পুঁজি আহৰণ আৰু নতুন সদস্যভৰ্তিৰ দৰে ভাৰত বিৰোধী কাৰ্য্যকলাপত জড়িত হৈ আছে। সন্ত্ৰাসবাদী হিচাপে ঘোষণা কৰাৰ ফলত ৰাষ্ট্ৰীয় তদন্ত সংস্থা- এন আই এৰ লেখীয়া সংস্থাসমূহে এই লোকসকলৰ পুঁজি আহৰণৰ পথ বন্ধ কৰিব পাৰিব আৰু অস্ত্ৰ বিক্ৰীৰ ক্ষেত্ৰত প্ৰতিবন্ধকতা আৰোপ কৰিব পাৰিব। ইয়াৰ উপৰি তদন্ত সংস্থা সমূহে সন্ত্ৰাসবাদী হিচাপে ঘোষিত লোকসকলৰ সম্পত্তি জব্দ কৰিব পাৰিব। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে দেশ আৰু জনসাধাৰণৰ সুৰক্ষাৰ বাবে প্ৰতিটো সন্ত্ৰাসবাদী সংগঠনক পুলিয়ে পোখাই উৎখাত কৰিবলৈ চৰকাৰ বদ্ধ পৰিকৰ।

কেন্দ্ৰীয় চৰকাৰৰক সংশোধিত বে-আইনী কাৰ্য্যকলাপ প্ৰতিৰোধী আইনৰ অধীনত কোনো ব্যক্তিক সন্ত্ৰাসবাদী হিচাপে ঘোষণা কৰাৰ অধিকাৰ অৰ্পন কৰা হৈছে। আইনখনৰ সংশোধনৰ পাছত চৰকাৰে এতিয়ালৈকে ৮০ জনলোকক সন্ত্ৰাসবাদী হিচাপে ঘোষণা কৰিছে।

০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে আজি ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণ (SIR) প্ৰক্ৰিয়াৰ অধীনত গণনা প্ৰ-পত্ৰ দাখিল কৰে। সামাজিক মাধ্যংমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে দিল্লীৰ মুখ্য নিৰ্বাচনী বিষয়াৰ লগতে জিলা নিৰ্বাচনী বিষয়া , নিৰ্বাচনী পঞ্জীয়ন বিষয়া আৰু বুথ পৰ্যায়ৰ বিষয়াসকলে উপৰাষ্ট্ৰপতি ভৱনত চলি থকা ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণ প্ৰক্ৰিয়াৰ অধীনত গণনা প্ৰক্ৰিয়া সহজ কৰি তুলিছে । শ্ৰীৰাধাকৃষ্ণনে সকলো যোগ্য ভো টদাতাক এই প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে ভাৰতৰ গণতন্ত্ৰ শক্তিশালী কৰাৰ বাবে সঠিক আৰু নতুনকৈ উন্নিত কৰা নিৰ্বাচনী তালিকা অতি প্ৰয়োজনীয়।

বাইট-ৰাধাকৃষ্ণণ

০০০০

চৰকাৰে মূল্য সুস্থিৰতা মজুত ভঁৰালৰ বাবে ক্ৰয় কৰা পিঁয়াজ মূল্য ১৩ শতাংশ বৃদ্ধি কৰিছে। এই অনুসাৰে এনে পিঁয়াজৰ প্ৰতি কুইণ্টলৰ মূল্য ১ হাজাৰ ৮৭৫ টকাৰ পৰা ২ হেজাৰ ১২৫ টকালৈ বৃদ্ধি পাইছে। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে পিঁয়াজৰ এই নতুন সংশোধিত মূল্য আজিৰে পৰা প্ৰযোজ্য হৈছে। মন্ত্ৰালয়ে কৈছে যে সংশোধিত মূল্যই পিঁয়াজৰ খেতিয়ক সকলক উপকৃত কৰিব আৰু মজুত ভঁৰালৰ বাবে ক্ৰয় প্ৰক্ৰিয়া সুদৃঢ় কৰাত সহায় কৰিব।

০০০০

ভাৰত আৰু ইজৰাইলৰ মাজত আজিৰে পৰা দ্বিপাক্ষিক বিনিয়োগ চুক্তি কাৰ্যকৰী হৈছে। বিগত বৰ্ষৰ ছেপ্তেম্বৰত এই চুক্তিখন স্বাক্ষৰ কৰা হৈছিল। বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই দ্বিপাক্ষিক বিনিয়োগ চুক্তি হৈছে দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক অৰ্থনৈতিক সম্পৰ্ক শক্তিশালী কৰা তথা সুৰক্ষিত আৰু ভৰিষ্যতৰ বিনিয়োগৰ পৰিবেশ নিশ্চিত কৰাৰ দিশত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ। এই চুক্তিখনে বিনিয়োগ আৰু বিনিয়োগকাৰীক সুৰক্ষা প্ৰদান কৰিব। এই চুক্তিয়ে আন্তঃৰাষ্ট্ৰীয় বিনিয়োগ আইনৰ আধুনিক সিদ্ধান্ত আৰু বিকশিত ন্যায় শাস্ত্ৰকো প্ৰতিফলিত কৰে। বিত্ত মন্ত্ৰালয়ে এই চুক্তিয়ে সীমান্তৰ ইপাৰৰ বিনিয়োগ কাৰ্যকলাপ বৃদ্ধিত অৰিহণা যোগোৱাৰ লগতে ভাৰত আৰু ইজৰাইলৰ মাজৰ অৰ্থনৈতিক অংশীদাৰিত্ব শক্তিশালী কৰিব বুলি আশা প্ৰকাশ কৰিছে।

০০০০

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বামী বিবেকানন্দৰ মৃত্যু বাৰ্ষিকী উপলক্ষে তেওঁলৈ শ্ৰদ্ধা নিবেদন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীৰাধাকৃষ্ণণে কয়, যে স্বামী বিবেকানন্দ এগৰাকী মহান দেশপ্ৰেমী, দাৰ্শনিক আৰু আধ্যাত্মিক দৰ্শনেৰে পূৰ্ণ ব্যক্তি আছিল। তেওঁ কয়, যে স্বামী বিবেকানন্দই ভাৰতৰ সভ্যতাগত চেতনাক পুনৰ জগাই তুলিছিল আৰু ভাৰতৰ শাশ্বত জ্ঞানক বিশ্বৰ আগত চিনাকী কৰাই দিছিল। শ্ৰীৰাধাকৃষ্ণণে লগতে স্বামী বিবেকানন্দৰ আদৰ্শই সকলোকে সমৰ্পণৰ মনোভাৱেৰে সেৱা

আগবঢ়োৱাৰ আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত নিজৰ প্ৰতিশ্ৰুতিত অটল হৈ থকাৰ প্ৰেৰণা যোগাব বুলি আশা ব্যক্ত কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বামী বিবেকানন্দৰ মৃত্যু বাৰ্ষিকী উপলক্ষে দিয়া এটা বাৰ্তাত কয় যে ভাৰতৰ সংস্কৃতি, আধ্যাত্মিকতা আৰু ৰাষ্ট্ৰীয় চেতনাক গোলকীয় পৰ্যায়লৈ লৈ যোৱাত তেওঁৰ অৱদান অতুলনীয়। স্বামী বিবেকানন্দৰ বুদ্ধিমত্তা আৰু অনুপ্ৰেৰণাদায়ক বাৰ্তাসমূহে লাখ লাখ যুৱক-যুৱতীক অনুপ্ৰাণিত কৰি আহিছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে বিবেকানন্দৰ আধ্যাত্মিক শিক্ষাই ৰাষ্ট্ৰক নতুন শক্তিৰ যোগান ধৰি বিকশিত ভাৰতৰ দৰ্শন প্ৰাপ্তিৰ দিশত দিক নিৰ্দেশনা প্ৰদান কৰি আহিছে।

oooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰুৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত জয়লাভ কৰা **কেইকো ফুজিম'ৰিক** অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে ভাৰতে পেৰুৰ সৈতে থকা গভীৰ সম্পৰ্কক মূল্য দি অহাৰ লগতে দেশ দুখনৰ মাজৰ বিভিন্ন ক্ষেত্ৰত থকা দ্বিপাক্ষিক অংশীদাৰিত্ব অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত প্ৰতিজ্ঞাবদ্ধ। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে শ্ৰীমতী ফুজিম'ৰিয়ে তেওঁৰ কাৰ্যকাল সফলতাৰে সম্পন্ন কৰাৰ লগতে ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে ভাৰত আৰু পেৰুৰ মাজৰ ভৱিষ্যৎ সম্পৰ্ক আগবঢ়াই নিবলৈ একেলগে কাম কৰি যোৱাৰ ইচ্ছা প্ৰকাশ কৰে।

oooo

ভেনিজুৱেলাৰ বৈদেশিক মন্ত্ৰী ৰাইভেন গীলে ভাৰত চৰকাৰ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ কৃতজ্ঞতা প্ৰকাশ কৰিছে। শেহতীয়াকৈ ভেনিজুৱেলাত সংঘটিত প্ৰবল ভূমিকম্পৰ সময়ত ভাৰতে দেশখনলৈ আগবঢ়োৱা সমৰ্থন আৰু সাহায্যৰ বাবে দেশখনৰ বৈদেশিক মন্ত্ৰীগৰাকীয়ে এই কৃতজ্ঞতা প্ৰকাশ কৰিছে। মন্ত্ৰী শ্ৰী গীলে আজি ভূমিকম্পৰ সময়ত আহত হোৱা লোকসকলৰ চিকিৎসাৰ বাবে এমিষ্টেড অভিযানৰ অধীনত স্থাপন কৰা ভাৰতীয় সেনাৰ ক্ষেত্ৰ চিকিৎসালয় পৰিদৰ্শন কৰে। এই হাস্পতালৰ জৰিয়তে ভূমিকম্পত আহত হোৱা ভেনিজুৱেলাৰ নাগৰিকসকলক সকলো সময়তে বিনামূলীযা চিকিৎসা সেৱা প্ৰদান কৰি থকা হৈছে। ভেনিজুৱেলাৰ বৈদেশিক মন্ত্ৰীগৰাকীয়ে কয়, যে এই হাস্পতালত প্ৰতি দিনে ৪০০তকৈও অধিক লোকক চিকিৎসা প্ৰদান কৰি থকা হৈছে।

উল্লেখযোগ্য যে, যোৱা ২৪ জুনত হোৱা ভূমিকম্পৰ ফলত ভেনিজুৱেলাৰ ধন-জনৰ যথেষ্ট ক্ষতি হৈছিল। ভাৰতে এমিষ্টেড অভিযানৰ জৰিয়তে দেশখনলৈ সমৰ্থন আৰু সাহায্য আগবঢ়াই আহিছে। ভাৰতে ইয়াৰ বাবে বিশেষ ভাৰতীয় সেনাৰ চিকিৎসালয়ৰ ব্যৱস্থা কৰিছে।

oooo

কলম্বিয়া, আৰ্জেন্টিনা আৰু ইজিপ্তে বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। কলম্বিয়াই আজি কানছাছচিটিষ্টেডিয়ামতঅনুষ্ঠিত নক আউট পৰ্যায়ৰঅন্তিমখন খেলত ঘানাক ১-০ গলত পৰাস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। জন এৰিয়াছে খেলৰ ১4 মিনিটত বিজয় সূচক গলটো দিয়ে। কলম্বিয়া প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ছুইজাৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইয়াৰ পূৰ্বে, আমেৰিকাৰ মায়ামী গাৰ্ডেনছত হোৱানক আউট পৰ্যায়ৰ আন এখন খেলত আৰ্জেন্টিনাই কাবো ভেৰ্দেক ৩-২ গ'লত পৰাস্ত ক ৰে। খেলৰ ২৯ মিনিটত লিঅ 'নেল মেছিয়ে গ'ল কৰি আৰ্জেন্টিনাক অগ্ৰগতি প্ৰদান কৰে। চলিত প্ৰতিযোগিতাতএই সপ্তমটোগ'লেৰেমেছিয়ে

ছখন বিশ্বকাপ ৰ ৩০ খন খেলত অংশলৈ ২০ টা গ'লকৰাৰ বিৰল অভিলেখ গঢ়ে। তীব্র প্রতিদ্বন্দ্বিতাপূর্ণ খেলখনৰ অতিৰিক্ত সময়ৰ ১১১ মিনিটত কাবোভের্দেৰ ডিনী বর্গেছৰ আত্মঘাতী গ'ল এটাই আর্জেণ্টিনাৰ বিজয়ৰ পথ প্রশস্ত কৰে।

ইপিনে, আর্লিংটনত অনুষ্ঠিত নক আউট পর্যায়ত এখন খেলত অষ্ট্রেলিয়াক পেনাল্টি শ্বুট-আউটত ৪-২ গ'লত পৰাস্ত কৰি ইজিপ্টে প্রি-কোৱাৰ্টাৰফাইনেলত প্ৰৱেশ কৰে। খেলখন নির্ধাৰিত অতিৰিক্ত সময়তো ১-১ গ'লত অমীমাংসিত হৈ ৰোৱাত পেনাল্টী ল শ্বুট আউটৰ সহায় ল'বলগীয়া হয়। এই জয়ৰ সুবাদত ইজিপ্তে ৯২ বছৰৰ অন্ততবিশ্বকাপৰ নক-আউট পর্যায়ত প্রথমবাৰৰ বাবে জয়লাভ কৰি ইতিহাস ৰচনা কৰে। প্রতিযোগিতাত আজি নিশা চাৰে দহ বজাত হ'বলগীয়া প্রথমখন প্রি-কোৱাৰ্টাৰ ফাইনেলত কানাডা মৰক্কোৰ বিৰুদ্ধে অৱতীর্ণ হ'ব। নিশা আঢ়ৈ বজাত হ'বলগীয়া দ্বিতীয়খন প্রি-কোৱাৰ্টাৰ ফাইনেলত ফ্রান্স পাৰগুৱেৰ সন্মুখীন হ'ব।

০০০০

সমাপ্ত